# Telephonic conversation between Prime Minister and King of Bhutan

September 17, 2020

# প্ৰধান মন্ত্ৰী আৰু ভূটানৰ ৰজাৰ মাজত ফোন যোগে বাৰ্তালাপ

চেপ্তেম্বৰ 17, 2020

প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয় আজি মহামান্য জিগ্মেখেচাৰমানগ্যোৱেল ৱাংচুক, ভূটানৰ ৰজাৰ সৈতে ফোন যোগে বাৰ্তালাপ কৰে।

মহামান্য ৰজাই নিজৰ শুভেচ্ছা জ্ঞাপন কৰে প্ৰধান মন্ত্ৰীৰ 70তম জন্মদিন উপলক্ষ্যে। প্ৰধান মন্ত্ৰীয়ে আনন্দেৰে শুভেচ্ছা গ্ৰহণ কৰে আৰু নিজৰ অভিনন্দন প্ৰকাশ কৰে মহামান্য ৰজা, ভুটানৰ পূৰ্ব ৰজা, আৰু ভূটানৰ ৰজা পৰিয়ালৰ সকলো সদস্যক।

নেতা কেইজনে ভাৰত আৰু ভূটানৰ চুবুৰীয়া আৰু বন্ধু হিচাপে বিশ্বাস আৰু মৰমৰ সুকীয়া বান্ধোনৰ কথা পাতে। প্ৰধান মন্ত্ৰীয়ে নিজৰ ধন্যবাদ জ্ঞাপন কৰে এই বিশেষ বন্ধুত্ব ৰক্ষা কৰাৰ বাবে ভূটানৰ ৰজাসকলে লোৱা পথপ্ৰদৰ্শক ভূমিকাৰ বাবে।

প্ৰধান মন্ত্ৰীয়ে নিজৰ প্ৰশংসা প্ৰকাশ কৰে ভূটান ৰাজ্যত কোভিড-19 মহামাৰীৰ ফলপ্ৰসু পৰিচালনৰ বাবে, আৰু মহামান্য ৰজাক আশ্বাস দিয়ে ভাৰতৰ প্ৰস্তুতিৰ এই সন্দৰ্ভত ভূটানক সকলো প্ৰয়োজনীয় সমৰ্থন দিয়াৰ।

প্ৰধান মন্ত্ৰীয়ে নিজৰ ইচ্ছা প্ৰকাশ কৰে মহামান্য ৰজা আৰু তেওঁৰ পৰিয়ালক ভাৰতলৈ আমন্ত্ৰণ কৰাৰ, এক পাৰস্পৰিক সুবিধাজনক তাৰিখে।

**নতুন দিল্লী**
**চেপ্তেম্বৰ 17, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.